**6 SEM TDC ASM M 2**

**2014**

( May )

ASSAMESE

( Major )

Course : 602

( ভাৰতীয় আৰ্যভাষা আৰু অসমীয়া ভাষা )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অসমীয়ালৈ অনুবাদ কৰাঁ (যি কোনো চাৰি অংশ) : ৩×৪=১২

(ক) ৱিদ্যা নাম নৰস্য ৰূপমধিকং প্ৰচ্ছন্ন গুপ্তং ধনং।
ৱিদ্যা ভোগকৰী যশঃ সুখকৰী ৱিদ্যা গুৰূণাং গুৰুঃ॥

(খ) সো পি মগো ন ধ্ৰুৱো।
এতে পি ত্ৰী প্ৰাণা পছা ন আৰভিসৰে॥

(গ) বহুকা হি দোসা সমাজসা দেৱানং পিয়ে পিয়দসি লাজা দখতি।
অথি পি চা একতিয়া সমাজ সাধুমতা দেৱানং পিয়সা
পিয়দসিসা লাজিনে॥

(ঘ) তে ঝায়িনো সাততিকা <u>নিচ্চং</u> দল্হ পৰক্কমা।
ফুসন্তি ধীৰা নিব্বাণং যোগক্খেমং অনুত্তৰং॥

(ঙ) সত্তসআইং কই-বচ্ছলেণ কোডীঅ মজ্ঝআৰম্মি।
হালেণ বিৰই আইং সালংকাৰাণং <u>গাহাণং</u>॥

(চ) পচ্চাএসি পহূও পূব্বপসিদ্ধো য মিচ্ছদেসো <u>থি</u>।
তহ ৱিসএ সুংভুও আৰদ্ধো মীৰসেণস্স॥

২। উল্লিখিত **১** নং প্ৰশ্নৰ তলত আঁচটনা শব্দবোৰৰ মাজৰ পৰা বাছি লৈ যি কোনো **তিনিটা** শব্দৰ সংস্কৃত ৰূপটো লিখাঁ। ১×৩=৩

৩। (ক) ভাৰতীয় আৰ্যভাষা বুলিলে কি বুজা? ভাৰতীয় আৰ্যভাষাৰ দ্বিতীয় স্তৰত বিকাশ লাভ কৰা যি কোনো এটা ভাষাৰ বিষয়ে আলোচনা কৰি ভাষাতাত্ত্বিক বিশেষত্বসমূহ আলোচনা কৰাঁ। ৩+১২=১৫

*অথবা*

(খ) ভাৰতীয় আৰ্যভাষাৰ কোনটো স্তৰত সাহিত্যিক প্ৰাকৃতসমূহৰ জন্ম হৈছিল? সাহিত্যিক প্ৰাকৃতসমূহৰ নাম উল্লেখ কৰি যি কোনো এটা সাহিত্যিক প্ৰাকৃতৰ বিষয়ে আলোচনা কৰাঁ। ১+৪+১০=১৫

৪। (ক) পালি আৰু প্ৰাকৃত ভাষাৰ ব্যঞ্জনবৰ্ণবোৰৰ দুখন তালিকা প্ৰস্তুত কৰাঁ। লগতে দুয়োটা ভাষাৰ ব্যঞ্জনৰ মাজত থকা মিল-অমিলসমূহ উল্লেখ কৰাঁ। ৮+৭=১৫

*অথবা*

(খ) সংস্কৃত আৰু পালি শব্দৰূপৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱাঁ। ১৫

৫। (ক) ভাৰতীয় আৰ্যভাষাৰ পৰা কি কি স্তৰ অতিক্ৰম কৰি অসমীয়া ভাষাৰ উৎপত্তি হৈছে, এই সম্পৰ্কে এটি টোকা যুগুত কৰাঁ। লগতে এখন তালিকা সংযোগ কৰিবাঁ। ২+৯+৪=১৫

*অথবা*

(খ) অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কে ভাষাবিদসকলে আগবঢ়োৱা মতসমূহ উল্লেখ কৰি ভাষাটোৰ উৎপত্তি সম্পৰ্কে এটি গ্ৰহণযোগ্য মতামত দাঙি ধৰাঁ। ৭+৮=১৫

৬। (ক) ড০ বাণীকান্ত কাকতিৰ মতে অসমীয়া ভাষাৰ বিকাশৰ স্তৰ কেইটা আৰু কি কি? প্ৰতিটো স্তৰৰে ভাষাগত বৈশিষ্ট্যসমূহ উল্লেখ কৰাঁ। ৩+১২=১৫

*অথবা*

(খ) চমু টোকা লিখাঁ : ৫×৩=১৫

(১) প্ৰত্ন অসমীয়া

(২) 'অৰুণোদই'ৰ ভাষা

(৩) বুৰঞ্জীৰ ভাষা

৭। চমু উত্তৰ লিখাঁ : ১×৫=৫

(ক) 'প্ৰাকৃত প্ৰকাশ' কাৰ ৰচনা?

(খ) 'বিনয়', 'সুত্ত' আৰু 'অভিধম্ম' পিটকক একেলগে কি নামেৰে জনা যায়?

(গ) 'অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ' গ্ৰন্থৰ লেখকজনৰ নাম লিখাঁ।

(ঘ) 'নীতিশতক শ্লোক'ৰ ৰচক কোন?

(ঙ) 'গাহাসত্তসঈ'ৰ সংকলন কৰোঁতাজনৰ নাম কি?

★★★